**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 13-11-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ৰাজ্য চৰকাৰে বিগত ৪ বছৰত মহিলাসকলক বিভিন্ন দিশত আগবঢ়াই নি সবলীকৰণৰ বাবে নিৰন্তৰ কাম কৰিছে। বৰ্তমানৰ অসম চৰকাৰে গ্ৰহণ কৰা বহু আঁচনি দেশৰ আন আন ৰাজ্যসমূহেও অনুকৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰবক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

০০০০০০

বিশ্বনাথত ন্যায়াধীশ ববিতা ক্ষত্ৰিৰ ন্যায়িক আদালতে আজি প'কছ' আইনৰ অধীনত পদ্ম গগৈ নামৰ এজন লোকক যৌন নিৰ্যাতনৰ অপৰাধত দোষী সাব্যস্ত কৰে। পদ্ম গগৈ গহপুৰৰ এখন বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে কৰ্মৰত অৱস্থাত ২০২৩ চনৰ ২ আগষ্টত বিদ্যালয়খনৰ এগৰাকী কনমানি শিশুক যৌন আতিশয্যা চলাইছিল। আদালতে বিশেষ প'কছ' আইনৰ অধীনত অভিযুক্তক দোষী সাব্যস্ত কৰি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১৫ হাজাৰ টকাৰ জৰিমনা বিহে। এই সন্দৰ্ভত চৰকাৰী অধিবক্তা মৌচুমী বৰঠাকুৰ বৰুৱাই এইদৰে কয়-

(বাইট)

০০০০০০

চলিত বৰ্ষৰ ডিচেম্বৰত হ'বলগীয়া সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত ৰাজ্যিক নিৰ্বাচন আয়ুক্তই আজি জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচন আয়োগৰ সচিব গীতাৰ্থ বৰুৱাও উপস্থিত আছিল। বৈঠকত জিলাখনৰ একমাত্ৰ সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদীয় সমষ্টি ২০ নম্বৰ বাম ৰজাবাৰীৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যিক নিৰ্বাচন আয়ুক্তগৰাকীয়ে ভোটাৰ তালিকা প্ৰস্তুত কৰাৰে পৰা ভোট গণনালৈকে ল'বলগীয়া কাৰ্যপন্থা সন্দৰ্ভত বৈঠকত সবিশেষ জনায়।

০০০০০০

মৰিগাঁও জিলাৰ ভুৰবন্ধা শিক্ষা খণ্ডৰ উদ্যোগত পৰহিলৈ এখন বিজ্ঞান ভিত্তিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত হ'বলগীয়া এই প্ৰতিযোগিতা পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব। ভুৰবন্ধা শিক্ষা খণ্ড এলেকাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ নিৰ্দেশনাত হ'বলগীয়া এই প্ৰতিযোগিতাত শিক্ষাৰ্থীসকলে বিজ্ঞানভিত্তিক প্ৰকল্প নিৰ্মাণ, বক্তৃতা প্ৰদান, বিজ্ঞান ভিত্তিক চিত্ৰাংকণ আৰু ধাৰণা সম্পৰ্কীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০০

কোকৰাঝাৰ জিলাৰ দেৱীতোলাত অৱস্থিত পি এম শ্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত এখন সজাগতামূলক সভাত মাদকদ্ৰব্যৰ কু-প্ৰভাব আৰু সৰবৰাহ, বাল্য বিবাহ, শিশুৰ ওপৰত যৌন নিৰ্যাতন প্ৰতিৰোধ, শিশু শ্ৰমিক আৰু শিশু সৰবৰাহ সন্দৰ্ভত বিশেষভাৱে আলোকপাত কৰা হয়। এই সভাৰ জৰিয়তে এনেবোৰ স্পৰ্শকাতৰ বিষয়ত শিক্ষাৰ্থী, শিক্ষক আৰু স্থানীয় লোকসকলক সজাগ কৰি শিশুসকলক সকলো ধৰণৰ নিৰ্যাতনৰ পৰা ৰক্ষা কৰা আৰু নিৰাপত্তা দিবলৈ জনসজাগতাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস চলোৱা হয়।

০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হস্ততাঁত আৰু বস্ত্ৰশিল্প, ৰেচম বিভাগ আৰু ভূমি সংৰক্ষণ বিভাগৰ বিভাগীয় পৰ্যালোচনা বৈঠকত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই অংশগ্ৰহণ কৰে। এই বৈঠকত মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু বিভাগীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত আই টি এফ মাষ্টাৰ্ছ এম টি ২০০ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত পুৰুষৰ শাখাত জাৰ্মানীৰ ডেনিয়েল জন তথা ভাৰতৰ যোছেফ জোতিনখুমা আৰু মামাৰিয়া লালথানমাৰিয়াৰ লগতে মহিলাৰ শাখাত চুনুমণি বকটকীয়ে জয়লাভ কৰিছে। আজি অনুষ্ঠিত খেলখনত পুৰুষৰ একক শাখাত মিজোৰামৰ মামাৰিয়াই ৰনদীপ বৰুৱাক পৰাস্ত কৰে।

০০০০০০

সমাপ্ত